# অসম আদিত্য

চ'ত, ১৯৪৫ শক ■ মঙলবাৰ, ১১ এপ্ৰিল, ২০২৩ ■ Asom Aditya, Dibrugarh, Tuesday, April 11, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা




## জ্যোতিক
## স্বৰ্ধনা

- ৭ৰ বিজয়ী তিনিচুকীয়াৰ
াপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ
কল্পৰ অতিথি শালাত এই
তত্বত এক অনুষ্ঠান সম্পন্ন
কৰ পৰিয়ালৰ লোকসকল
জাপি, চেলেং চাদৰ আৰু
প্তাহজোৰা প্ৰতিযোগিতাত
ই জয় কেৱল নিজৰ বাবেই
অভিহিত কৰি বিচিপিএলৰ
অন্যান্য বান্ধনী শাল প্ৰদৰ্শন

## কৈলৈ
## মঞ্চৰ
## বঁটা

## সাজু ন-কুঁহি বিহুৱা দল

বিশেষ প্ৰতিনিধি, টেঙাখাত, ১০ এপ্ৰিল ঃ অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুটি আকৌ আহিল। সেয়ে ২০05 চনৰ পৰা ধাৰাবাহিকভাৱে বৃহত্তৰ টেঙাখাত অঞ্চলৰ বিভিন্ন জাতি জনজাতি বিহুৱা কিশোৰ-কিশোৰী, যুৱক-যুৱতীক লৈ নগেন খাটনিয়াৰৰ পৰিচালনাত গঠিত টেঙাখাত আঞ্চলিক ন-কুঁহি বিহুৱা দলে এইবাৰো গৃহস্থৰ ঘৰে ঘৰে তথা বিহু সন্মিলনৰ মঞ্চই মঞ্চই বিহু প্ৰদৰ্শন, প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ লগতে অসমীয়াৰ কৃষ্টি-সংস্কৃতি জীয়াই ৰাখিবলৈ ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। শেহতীয়া অনুশীলনত একাংশ শুভাকাংক্ষী ৰাইজে তেওঁলকৰ বিহু উপভোগ কৰি শুভেচ্ছা জ্ঞাপন কৰা পৰিলক্ষিত হৈছে। পৰিচালক নগেন খাটনিয়াৰ তথা বিহুৱাসকলে সকলোশ্ৰেণী ৰাইজৰ সহায়-সহযোগ তথা আশীৰ্বাদ কামনা কৰিছে। বিহুপ্ৰেমী ৰাইজক ৯১২৭৮৭১৬৭০ নম্বৰত যোগাযোগ কৰিবলৈ ন-কুঁহি বিহুৱা দলে আহ্বান জনাইছে।

# ড০ শশীকান্ত শইকীয়ালৈ শৈক্ষিক নেতৃত্ব বঁটা-২০২৩




ডিব্ৰুগড়, ১০ এপ্ৰিল ঃ অসমৰ অন্যতম এখন উচ্চ শিক্ষানুষ্ঠান ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক মেঘালয়ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয় আৰু ই আৰ ডি ফাউণ্ডেশ্যনৰ তৰফৰ পৰা শৈক্ষিক নেতৃত্ব বঁটা-২০২৩ প্ৰদান কৰা হয়। এই বঁটা প্ৰদান কৰে অসমৰ দক্ষতা বিকাশ আৰু পৰ্যটন বিভাগৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। শৈক্ষিক আৰু প্ৰশাসনিক দিশত নিৰৱচ্ছিন্নভাৱে কাম কৰি মহাবিদ্যালয়খনৰ লগতে সমাজলৈ বিশেষ বৰঙনি আগবঢ়োৱাৰ স্বীকৃতিস্বৰূপে অধ্যক্ষগৰাকীক এই বঁটা প্ৰদান কৰা হয়। ৮ এপ্ৰিলত বিশ্ববিদ্যালয়খনে আয়োজন কৰা উত্তৰ-পূৰ্বাঞ্চল গ্ৰেজুৱেট সমাৱেশত অনুষ্ঠিত এই বঁটা প্ৰদান অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ আচাৰ্য মেহবুবুল হক, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ জি ডি শৰ্মা, সম উপাচাৰ্য ড০ বলেন্দ্ৰ কুমাৰ দাস প্ৰমুখ্যে অসমৰ ভালেসংখ্যক অধ্যক্ষ উপস্থিত আছিল। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই মহাবিদ্যালয়খনৰ লগতে সমাজৰ উত্তৰণৰ কাৰণে কাম কৰি অহাৰ ফলত ইতিমধ্যে অধ্যক্ষগৰাকীক কৰ্মসূৰ্য, দীনবন্ধু, ডিবৰু হিতৈষী উপাধি প্ৰদান কৰাৰ উপৰি হাছান শ্বৰিফ আহমদ সমন্বয় বঁটা, পৰমানন্দ মানৱসেৱা ৰত্ন বঁটা, শ্ৰেষ্ঠ অধ্যক্ষৰ দক্ষতা বঁটাকে ধৰি শতাধিক দল-সংগঠনে সম্বৰ্ধনা জ্ঞাপন কৰিছে। ডিব্ৰুগড় জিলা প্ৰতিষ্ঠা দিৱসত ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰাও অধ্যক্ষগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে।

## দৃষ্টি ভংগী

❑ সুনীল যাদৱ



ডিব্ৰুগড় চহৰৰ পৰিৱেশ ৰাজ্যৰ অন্য চহৰতকৈ সুকীয়া। ওচৰচুবুৰীয়া জিলাকেইখনৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আদি ৰাজ্যৰ পৰা উচ্চ শিক্ষা গ্ৰহণৰ বাবে ডিব্ৰুগড়ত পদাৰ্পণ কৰে ডিব্ৰুগড় চহৰত। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাকৃতিক পৰিৱেশ নান্দনিক সৌন্দৰ্যই প্ৰতিগৰাকী শিক্ষা
কৰি আহিছে। অন্যহাতে, চিকিৎসা বিজ্ঞানৰ ক্ষেত্
আগবঢ়া ডিব্ৰুগড় চহৰ। ঐতিহ্যমণ্ডিত অস
মহাবিদ্যালয়ে ইয়াৰ ধ্বজা বহন কৰি আহিছে
বহু চিকিৎসক তথা চিকিৎসা কৰ্মী জন্ম দিন এই
মহাবিদ্যালয়ে নিৰনুৱা দূৰীকৰণৰ লগতে সংস্থাপ
নতুন বাট মুকলি কৰিছে। ডিব্ৰুগড়ৰ এনে বহু ই
আছে যিবোৰ কথা মই একেলগে কৈ শেষ ক
নহয়। ইতিবাচক দিশ যেনেকৈ আছে ঠিক
নেতিবাচক দিশবোৰেও জুমুৰি দি আছে চহৰখনক
আৰু নেতিবাচক এই দুয়োটা দিশৰ সমাহাৰত
ডিব্ৰুগড় আজিৰ অৱস্থা পাইছে। চহৰখনৰ গাতে
ব্ৰহ্মাপুত্ৰৰ দাঁতিবোৰত কিছু অবৈধ বসতি দেখি
গৈছে ফলশ্ৰুতিত নদীখনৰ পৰিৱেশত বহুখিনি
পৰিছে। অদূৰ ভৱিষ্যতে ডিব্ৰুগড় চহৰক অভিলাষ
যুগুত কৰি উন্নত নগৰলৈ পৰিণত কৰাটো মই
কামনা কৰো। একেসময়তে পদপথসমূহত থকা
দূৰ কৰিব লাগে। অবৈধ প্ৰব্ৰজনকাৰীয়ে ডিব্ৰুগ
যাতে কলুষিত কৰিব নোৱাৰে তাৰ প্ৰতিও সদা স
উচিত। ডিব্ৰুগড় চহৰখনৰ লগতে সমগ্ৰ জিলাখ
হওক তাকে আন্তৰিকতাৰে কামনা কৰিলোঁ।